# গল্প

“নাহি বর্ণনার ছটা ঘটনার ঘণঘটা,
নাহি তত্ত্ব নাহি উপদেশ;
অন্তরে অতৃপ্তি রবে সাঙ্গ করি মনে হবে
শেষ হয়েও হইলনা শেষ।”

-ৰবীন্দ্র নাথ ঠাকুৰ

# সপোনবোৰ যেতিয়া সৰি পৰে ...

ৰেজাবুল হক

কেইবাদিন ধৰি ৰাকেশে এটা কথা ভাবি আছে। ৰেশ্মীয়ে এতিয়া হঠাতে যেন তাক এৰাই চলিব ধৰিছে। কথা পতাটোও আগতকৈ বহু কমাই দিছে। ফোন কৰিলে ৰিচিভ্ নকৰে, কৰিলেও যেনিবা ব্যস্ততাৰ অজুহাত দেখুৱায়। কিন্তু হঠাতে কিয় এই পৰিৱৰ্তন? তাইতো আগত এনেকুৱা নাছিল। ৰাকেশে নিজৰ মনটোক এবাৰ প্ৰশ্ন কৰিলে।

নাই, নাই, তেনেকে ভাবিব নোৱাৰি.... ৰেশ্মী হৈছে মোৰ প্ৰেম, মোৰ জীৱন। ৰেশ্মী অবিহনে মই নিৰ্জীৱ; জীয়াই থাকিব নোৱাৰো। মই মিছাতে এইবোৰ ভাবিছো। পঢ়া-শুনাত এই কেইদিন তাইৰ হয়তো খুব চাপ পৰিছে। কথাবোৰ ভাবি ৰাকেশে দীঘলকৈ এবাৰ উশাহ ল'লে।

ৰাকেশ ....। এনেতে মাকৰ মাত আহি কাণত পৰিল। চকীত বহি থকাৰ পৰা উঠিল। সি পুৱা হৈছে বুলি কথাটো পাহৰিয়ে গৈছিল। বাহিৰত ওলাই সূৰ্যৰ মিঠা মিঠা কিৰণ গাত পৰাতহে গম পালে। দেৰি নকৰি চিধাই পাক ঘৰত সোমাল। "দিয়া মা, চাহ একাপ দিয়া" কৈ ৰাকেশ ডাইনিঙত বহিল।

আজিকালি তোৰ কি হৈছে? অনবৰতে মন মাৰি বহি থাক। কথাখিনি কৈ মাকে চাহকাপ আগবঢ়াই দিলে। মাকে এইবাৰ পঢ়া শুনাৰ কথা সুধিলে। সি পঢ়া-শুনা ঠিকে চলিছে বুলি ক'লে। সিহঁতৰ পৰিয়াল বুলিবলৈ মাথোঁ চাৰিজন। মাক-দেউতাকৰ বাহিৰে এজনী ভণ্টি আছে। তাই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী। নাম ৰূপা।

- মা ৰূপা উঠিছেনে ? মাকে ক'লে-

- তাই তোৰ নিচিনা পুৱা 'ন' বজালৈ শুই থাকে জানো? পুৱাৰে পৰা পঢ়ি আছে।

- আৰু দেউতা ক'ত?

- অফিচলৈ গ'ল। কিবা কাম এটা আছে বুলি আগতেই ওলাই গ'ল।

- মা, মোৰ ক্লাচ এটা আছে। অ' আৰু আহোঁতে অলপ দেৰিও হ'ব। কথাখিনি কৈ ৰাকেশ ওলাই গ'ল।

দ্বীপ কেটৰ কাৰণে প্ৰস্তুতি লৈ আছে। এই বছৰ তাৰ কমাৰ্চত গ্ৰেজুৱেচন কমপ্লিট হ'ল। আবেলি সি ঘূৰি নহালৈকে মাকে ভাত-পানী বাঢ়ি অপেক্ষা কৰি আছিল। এনেতে সি অহাত মাকে অলপ মাতৃসুলভ খঙতে ক'লে- আবেলিলৈকে ভাত-পানী নোখোৱাকৈ ক'ত ঘূৰি থাক? মই তোৰ অপেক্ষাত বহি থাকো বুলি এবাৰো মনত নপৰেনে?

- বন্ধু এজনৰ ঘৰলৈ গৈছিলো, মা'। অলপ দেৰি হ'ল।

- অ' তোৰ বন্ধু জিতেনে ফোন কৰিছিল আৰু তোক ফোন কৰিবলৈ কৈছে।

-অ' মোবাইলত চাৰ্জ নাছিল কাৰণে পোৱা নাই কিজানি।

ৰাকেশে জিতেনলৈ ফোন কৰিলে। সি তাক গুৱাহাটী পাণবজাৰত লগ কৰিব ক'লে। কিবা দৰকাৰী কথা এটা আছে বুলি ক'লে। জিতেনে পাণবজাৰত তাৰ কাৰণে অপেক্ষা কৰি আছিল। ৰাকেশ গৈ পালে আৰু পিছত দুয়ো পাৰ্কত বুঢ়া লুইতৰ পিনে মুখ কৰি বহি ল'লে।

- ক' কিয় মাতিছ?

- মাতিছো মানে ..... ৰেশ্মীৰ বিষয়ে তোক কিবা ক'ব লগা আছিল। তাই মোক ফোন কৰিছিল।

- ৰেশ্মীৰ বিষয়ে .....? ৰাকেশৰ মনটো এক অজান আতংকই চুই গ'ল।

- অ'। ৰেশ্মীয়ে তোক আজিকালি .....। আৰু যিমান সোনকালে পাৰ পাহৰি যাবলৈ কৈছে।" কথাবোৰ কৈ জিতেনে

নিৰবে বহি ৰ'ল।

ৰাকেশৰ মুখেৰে কোনো মাত নোলাল। তাৰ মূৰত আকাশ ভাঙি পৰা যেন অনুভৱ হ'ল। দুয়োজনে কিছু সময় নিৰবে বহি থাকিল। অলপ সময় পিছত ৰাকেশে উচুপি উচুপি অস্পষ্ট ভাষাত জিতেনক কিবা ক'লে। সি আজিয়ে নাইট চুপাৰত ডিব্ৰুগড়লৈ যাব আৰু তাইক লগ কৰিব।

ৰেশ্মী ডিব্ৰুগড় মেডিকেল কলেজৰ ছাত্ৰী। এই বছৰ তাই এম. বি.বি.এছত ছিট পাইছে। তাই কলেজ হোষ্টেলত থাকে। পিছদিনা পুৱা ছয়বজাত ৰাকেশ ডিব্ৰুগড় পালেহি। গাড়ীৰ পৰা নামিয়ে সি পোনে পোনে ৰেশ্মী থকা হোষ্টেলখনলৈ আগবাঢ়িল। এক অজান বেদনাই তাৰ মনটো চেপি ধৰিলে। দুচকুৰ পৰা নিগৰি থকা চকুলোবোৰ সি বাধা দিবলৈ চেষ্টা কৰিলে। সি কান্দি থকা বুলি বাহিৰৰ পৰা যাতে গম পোৱা নাযায় তাৰ বাবে কলা চশমা এযোৰ চকুত লগাই ল'লে। কিন্তু সেয়া যেন বিফলে গ'ল। চশমাৰ তলেদি লোতক বৈ আহিল। এইবাৰ ৰুমালখন উলিয়াই চকুৰ পানী মচি ল'লে। ৰাকেশ ইতিমধ্যে আহি হোষ্টেলৰ গেটখন পালে। তেতিয়া সময় পুৱা আঠ বাজিছে। চাৰিওফালে পুৱাৰ এক নিৰৱ পৰিৱেশ। তাতে ডিচেম্বৰ মাহ। প্ৰচণ্ড কুঁৱলিয়ে হোষ্টেলখন আৱৰি ৰাখিছে। কুঁৱলি ভেদ কৰি কোনোমতে সি আগবাঢ়িল। এইবাৰ ৰাকেশে চকুলো আৰু বাধা দিব নোৱাৰিলে। দ্ৰুত গতিত ওলাই আহিল চকুলো। বুকুত অলপ অলপ বিষ অনুভৱ কৰিলে।

কাক বিচাৰিছে?- হোষ্টেলৰ মহিলা গাৰ্ডজনীয়ে ৰাকেশক সুধিলে।

'ৰেশ্মী।' ভঙা ভঙা মাতেৰে ৰাকেশে ক'লে। ৰাকেশক ভিজিটৰ ৰুমত বহিবলৈ দি মহিলাজনীয়ে ৰেশ্মীক মাতিবলৈ গ'ল। কিন্তু ৰেশ্মী আহিবলৈ মান্তি নহ'ল। কাৰণ ৰাকেশ অহা বুলি ইতিমধ্যে তাই গম পাইছে। বহু চেষ্টা কৰিও ৰেশ্মীক তললৈ আনিব নোৱাৰিলে। মহিলা গাৰ্ডজনীয়ে শেষত তাই নাহে বুলি ক'লে। ৰেশ্মীৰ ৰুমমেট দুজনী ইতিমধ্যে তললৈ আগবাঢ়ি আহিল। ছোৱালী দুজনীয়ে ৰাকেশক কান্দি থকা প্ৰত্যক্ষ কৰিলে। কথাটো দুই এক কৰি লাহে লাহে হোষ্টেলৰ সকলোৰে কাণত পৰিল। ভিজিটৰ ৰুমত গোটখোৱা ছোৱালীবোৰে তাক ওলাই যাবলৈ ক'লে। কিন্তু ৰাকেশে ৰেশ্মীক লগ নকৰি নাযায় বুলি ক'লে। ভিতৰত থকা ছোৱালীবোৰে প্ৰথমে কোনোবা পগলা হ'ব বুলিয়ে ভাবিছিল। পাছত যেনিবা গম পালে যে পগলা নহয়; সুঠাম শৰীৰৰ এজন সুশিক্ষিত যুৱকহে। ছোৱালীবোৰে ফুচফুচাই ইজনীয়ে সিজনীক ক'লে 'ল'ৰাজন ভাল। তেওঁতো আমাৰ একো ক্ষতি কৰা নাই।'

অৱশেষত ৰাকেশে নিজকে আৰু চম্ভালিব নোৱাৰিলে। সি কান্দি দিলে। এক অপ্ৰীতিকৰ পৰিস্থিতি বিৰাজ কৰাত পুৰুষ গাৰ্ড দুজনমানে আহি তাক ওলিয়াই দিবলৈ উদ্যত হ'ল। কিন্তু সকলোৱে আপত্তি কৰিলে। তেওঁতো একোৱেই কৰা নাই। হোষ্টেলৰ আটাইকেইজনী ছোৱালীয়ে ইতিমধ্যে তাত জুম বান্ধিছে। একমাত্ৰ ৰেশ্মীহে অহা নাই। ৰাকেশৰ প্ৰতি সকলোৰে আগ্ৰহ বাঢ়িল। আটায়ে ঘটনাটো জানিব খুজিলে। ৰাকেশে কান্দি কান্দি ক'ব ধৰিলে সিহঁত দুজনৰ সম্পৰ্কৰ কথা।

ৰেশ্মী মোৰ হৃদয়ত ফুলা এপাহ গোলাপ। মোৰ ভালপোৱা। আমাৰ দুয়োৰে ঘৰ গুৱাহাটীত। যোৱা আঠ বছৰ ধৰি ইজনে সিজনক ভাল পাওঁ। আমাৰ এই প্ৰেম স্কুলীয়া দিনৰে পৰা। আমি একেলগে পঢ়িছিলোঁ। লাহে লাহে আমি ডাঙৰ হ'লো। মেট্ৰিক পাছ কৰিলোঁ। আমাৰ দুয়োৰে সম্পৰ্ক তেতিয়া মধুৰহে হ'ল। ইজনে সিজনক নেদেখাকৈ এদিনো থাকিব নোৱৰা হ'লোঁ। তাই বিজ্ঞান শাখাত নাম লগালে আৰু মই বাণিজ্য শাখাত নাম লগালো। আমাৰ প্ৰেমৰ গভীৰতা বাঢ়িব ধৰিলে। মই তাইক লৈ লাহে লাহে সপোন ৰচিব ধৰিলো। আমি সুখৰ দিনবোৰ একেলগে উপভোগ কৰিছিলো। দুখৰ মুহূৰ্ত্তবোৰো সমানে ভগাই লৈছিলোঁ। এনেদৰে ৰেশ্মী হৈ পৰিল মোৰ শ্বাস প্ৰশ্বাস। দিনবোৰ বাগৰিল, আমি দুয়ো উচ্চতৰ মাধ্যমিক পাছ কৰিলোঁ। মোতকৈ তাইৰ ৰিজাল্ট বেছি ভাল হ'ল। তাই কোচিং ল'লে। তেতিয়াও আমাৰ প্ৰেম আগৰ দৰেই অক্ষত আছিল। সেইবছৰ ৰেশ্মীয়ে মেডিকেল-ইঞ্জিনিয়াৰিং একোতে ছিট্ নাপালে যদিও পিছৰ বছৰ তাই ইঞ্জিনিয়াৰিঙত ছিট্ পালে। আমাৰ দুয়োৰে খুব ভাল লাগিছিল যদিও ৰেশ্মীৰ মেডিকেল পঢ়াৰ কাৰণেহে বেছি ইচ্ছা। তাই ইঞ্জিনিয়াৰিঙত নাম লগালে যদিও মেডিকেলৰ চেষ্টাক বিদায় নিদিলে। মই তাইক খুবেই উৎসাহ দিলোঁ। শেষত এই বছৰ তাইৰ মনৰ আশা পূৰণ হ'ল। এইখিনিলৈ সকলো ঠিকে-ঠাকে আছিল। এই সুদীৰ্ঘ আঠ বছৰ আমি আছিলো ইজনে সিজনৰ অতিকে আপোন। এজনে আনজনক এৰি থকাৰ কথা কল্পনাই কৰিব পৰা নাছিলো।

ৰাকেশে উচুপি উচুপি কথাবোৰ কৈ থাকিল। ৰুমটোত নিস্তব্ধতা বিৰাজ কৰিছে। সকলোৱে গালে-মুখে হাত দি তাৰ কথাবোৰ শুনি আছিল। মাজে মাজে ৰুমালখন উলিয়াই সি চকুৰ লোতকবোৰ মচি ল'লে।

পিছত ৰেশ্মীয়ে ডিব্ৰুগড় মেডিকেল কলেজত নাম লগালে। প্ৰথম কেইমাহ ঠিকেই আছিল। কিন্তু লাহে লাহে তাই এতিয়া মোক এৰাই চলিব ধৰিছে। তাই বোলে এতিয়া মেডিকেল পঢ়া বেলেগ ল'ৰা এজনক ভাল পায়। আৰু মোৰ বন্ধু এজনক কৈ পঠাইছে মই যেন তাইক পাহৰি যাওঁ। কথাবোৰ কৈ ৰাকেশে হুকহুকাই কান্দি থাকিল। ইতিমধ্যে ৰেশ্মী ওপৰৰ পৰা এখোজ দুখোজকৈ নামি আহিল। হাতত এটা টোপোলা।

"তোমাক মই ভাল নাপাওঁ। মই এতিয়া বেলেগৰ হৈ গৈছো। আগতে নুবুজি তোমাক ভাল পাইছিলো। এতিয়া তোমাতকৈ ভাল ল'ৰা এজন পাইছোঁ। যিমান সোনকালে পাৰা মোক পাহৰি যাবা। আৰু ইয়ালৈ কেতিয়াও আহিবলৈ চেষ্টা নকৰিবা।" ৰেশ্মীয়ে কৰ্কশ ভাষাৰে কথাখিনি ৰাকেশক ক'লে।

ৰাকেশ আহত পখীৰ দৰে যন্ত্ৰণাত চট্‌ফটাব ধৰিলে। ৰেশ্মীক কি ক'ব একো বিচাৰি নাপালে। চাৰিওফালে কেৱল অন্ধকাৰ দেখা পালে। চকুলোবোৰ বৰষুণ সৰাদি মাটিত পৰি থাকিল। ৰেশ্মীৰ বাবে অনা গণেশৰ ফটোখন ৰাকেশে তাইলৈ আগবঢ়াই উচুপি উচুপি ক'লে- "এইখন সদায় লগত ৰাখিবা। ভগৱানে তোমাৰ মঙ্গল কৰিব।"

কিন্তু ৰাকেশৰ লোতকে ৰেশ্মীৰ হৃদয়খন তিয়াব নোৱাৰিলে। গণেশৰ ফটোখন লবলৈ তাই অস্বীকাৰ কৰিলে আৰু হাতত থকা টোপোলাটো ৰাকেশৰ হাতত দি ক'লে- তুমি যিমানবোৰ বস্তু মোক দিছিলা সেই সকলোবোৰ ইয়াৰ ভিতৰত আছে। এইবোৰৰ আৰু মোৰ প্ৰয়োজন নাই। আৰু কেতিয়াওঁ মোৰ আগত নাহিবা।

ৰাকেশে একো ক'ব পৰা নাছিল। সি বাকৰুদ্ধ হৈ পৰিল চকুৰে ধুৱঁলি- কুৱঁলি দেখিলে ভালকৈ খোজ কঢ়াৰ বাবে শক্তি নাপালে। টোপোলাটো হাততলৈ পগলা এটাৰ দৰে চুচুৰি এখোজ-দুখোজকৈ কোনোমতে ওলাই আহিবলৈ চেষ্টা কৰিলে। জুম বন্ধা হোষ্টেলৰ ছোৱালীবোৰে অসহায়ভাৱে তালৈ একেথৰে চাই থাকিল। অলপ পিছতে কুঁৱলিয়ে ৰাকেশক আগুৰি ধৰিলে। তাৰ মুখখন দেখা পোৱা নগ'ল।

শেষ মুহূৰ্ত্তত ৰাকেশে বুজি পালে যে কিছুমান সপোন, কেৱল সপোনেই থাকি যায়। তেওঁৰ জীৱনত দেখা সকলো সপোনেই সৰি পৰিল আৰু অৱশেষত তেওঁৰ বন্ধু জিতেনক মাতি আনি সকলো কথা বিৱৰি ক'লে ..... আৰু ৰাকেশে শেষত বুঢ়া লুইতত জপিয়াই আত্মহত্যাৰ পথকে বাচি ল'লে।

●●●

যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা আৰু ওচৰ-চুবুৰীয়া সকলোৱে হাঁহিছিল। কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিৱী এৰি যোৱা তেতিয়া যেন তোমাৰ কাৰণে আনে হিয়া ভুকুৱাই কান্দে।

*— হেমচন্দ্ৰ গোস্বামী*

# টকাই জীৱন নহয়

ডেইজী দাস

সন্ধিয়া সাত বাজিছে। ৰমেন, ৰমেনৰ মাক, দেউতাক আৰু বায়েকে সিহঁতৰ ওচৰৰে সম্বন্ধীয় খুৰাক এজনৰ ঘৰলৈ গৈ টিভিৰ বাতৰি চাই আছিল। সিহঁতৰ ঘৰত টিভি নাই তথাপিও খুৰাকহঁতৰ ঘৰত সদায়ে সিহঁতে গৈ টিভিৰ বাতৰিটো চায়। সেইদিনাও সিহঁতে বাতৰি চাবলৈ গৈছে। গোটেই কেইজন মানুহ টিভিৰ সন্মুখত বহি আছে। হঠাতে টিভিত ব্ৰেকিং নিউজ বুলি এটা বাতৰি ওলাল যে আজি মাজনিশাৰ পৰা সকলো ৫০০আৰু ১০০০টকাৰ ঠাইত নতুন ৫০০আৰু ২০০০ টকাৰ নোটৰ ব্যৱহাৰ হ'ব আৰু পুৰণি পইচাবোৰ মানুহে ব্যৱহাৰ কৰিব নোৱাৰিব। লগে লগে খবৰটো পাই ৰমেনৰ দেউতাক থৰ লাগি গ'ল। টিভিৰ গোটেইকেইটা নিউজ চেনেলতে এই বাতৰিটোৱে তোলপাৰ লগাইছে। ৰমেনহঁতে বাতৰিটোৰ একো উৱাদিহেই নাপালে। ৰমেনহঁতৰ পৰিয়ালটোৰ মুখৰ মাত হেৰাই গ'ল। কাৰণ আৰু তিনি সপ্তাহ পিছত তাৰ বায়েকৰ বিয়া। সিহঁতৰ দেউতাকৰ সিমান শিক্ষা-দীক্ষা নাই কোনোমতে প্ৰাথমিকৰ দেওনাহে পাৰ হৈছে। গাঁৱৰ মানুহ। খেতি কৰিয়েই পৰিয়ালটো যেনে তেনে পোহ-পাল দি আছিল। লগতে ৰমেনো মেট্ৰিকৰ দেওঁনা পাৰ হোৱা নাই নৱম শ্ৰেণীত পঢ়ে। তেনেদৰে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি ছোৱালীৰ বিয়াৰ বাবে তাৰে পৰাই কিছু পৰিমাণে ধন সাঁচি গৈছিল আৰু ছোৱালীৰ সেইমতে বিয়া ঠিক কৰিছিল। সেয়েহে সিহঁতৰ ঘৰতো সাঁচতীয়া ৫০০ আৰু ১০০০ টকীয়া নোট কিছু আছিল। বস্তুবোৰ যা-যোগাৰ নৌহওঁতেই এই নোট সলনিৰ ঘটনাটো শুনিবলৈ পালে। দেউতাকে এই বাতৰিটো পাই একেবাৰে ভাঙি পৰিল। কাৰণ ৰমেনৰ দেউতাকে নাজানে এতিয়া সেই টকাখিনি কি হ'ব, তেওঁৰ ছোৱালীৰ বিয়া কেনেকৈ পাতিব। ৰাতিটো যেনেতেনে থাকিল। ৰাতিপুৱা সকলো মানুহৰ মুখে মুখে এই কথাটো শুনিবলৈ পালে। বেছিভাগ মানুহে নাজানে এতিয়া কি হ'ব। ৰমেনৰ দেউতাকে কিন্তু গাঁৱৰে মুখীয়াল মদনক এই সমস্যাটোৰ কথা ক'লে। মদন গাঁৱৰে শিক্ষিত লোক। তেওঁ এই কথাটোৰ বাবে ৰমেনৰ দেউতাকক চিন্তা কৰিবলৈ বাধা দিলে আৰু টকাখিনি ভালদৰে ৰাখিবলৈ ক'লে আৰু সেই টকা বেংকত গৈ সলনি কৰি আনিব পাৰিব বুলি ক'লে। ৰমেনৰ দেউতাকে তাৰ পৰা পিছদিনা ৰাতিপুৱাই চহৰৰ বেংকলৈ ঢাপলি মেলিলে। কাৰণ তেওঁলোকৰ গাঁৱত বেংক নাই। এটা ডাকঘৰ আছে তাতেও কৰ্মচাৰী এজন আৰু অফিচটোও জৰাজীৰ্ণ ইয়ালৈ টকা নাহে। টিভিত দিছিল যে ডাকঘৰতো টকাবোৰ সলনি কৰিব পাৰিব কিন্তু ৰমেনহঁতৰ গাঁৱৰ ডাকঘৰত সেইটো সুবিধা নহ'ল। সেইকাৰণে ৰমেনৰ দেউতাকৰ লগতে আৰু বহুতো মানুহ চহৰৰ বেংকলৈ ঢাপলি মেলিছে। সিহঁতৰ গাঁৱৰ পৰা চহৰ পোন্ধৰ কিল'মিটাৰ বাট। গাঁৱৰ মানুহবোৰে চাইকেলেৰে অহা-যোৱা কৰে। গাড়ী মটৰ বৰ বিশেষ নচলে। গতিকে ৰমেনৰ দেউতাকেও চাইকেলেৰে চহৰলৈ গ'ল। গৈ দেখিলে যে বেংকৰ সন্মুখত দীঘলীয়া শাৰী; বহুত মানুহ। ৰমেনৰ দেউতাকেও কি কৰিব লাগে নাজানে । তেৰোঁ মানুহবোৰৰ দৰে শাৰীত থিয় দিলে। লগতে গাঁৱৰ মানুহ কেইজনো তেনেদৰে শাৰী পাতি থিয় হৈ থাকিল। বহুপৰ তেনেদৰে থিয় দি থাকিল। ইপিনে প্ৰখৰ ৰ'দ আনপিনে চিন্তা। এনেদৰে থিয় হৈ থকা অৱস্থাতে ৰমেনৰ দেউতাক মাটিত ঢলি পৰিল। লগে লগে তাৰে মানুহবোৰে তেওঁক চিকিৎসালয়লৈ প্ৰেৰণ কৰিলে যদিও তেওঁৰ বাটতে উশাহ-নিশাহ বন্ধ হৈ পৰিল, ডাক্তৰে তেওঁক মৃত বুলি ঘোষণা কৰিলে। এনে পৰিস্থিতিতে কোনোৱে সুযোগ লৈ তেওঁৰ লগত থকা টকাখিনি লৈ গ'ল। ৰমেনহঁতৰ ঘৰত খবৰ পালে। ৰমেনৰ যেন মনটো চিৰিংকৈ ক'ৰবাত উৰি গ'ল। "এতিয়া কি হ'ব ৰমেনহঁতৰ ঘৰখন।" ৰমেন বলিয়াৰ দৰে হৈ পৰিল। এপিনে সি দেউতাকক হেৰুৱালে

আনপিনে বায়েকৰ কেনেদৰে বিয়া দিব। সিহঁতৰ হাতত এতিয়া টকা নাই। ৰমেনে ভাবিলে- “বায়েকৰ জীৱনটো এতিয়া কি হ’ব’! এক নিস্তেজ বেদনাই যেন ৰমেন আৰু ৰমেনহঁতৰ ঘৰখনক মষিমূৰ কৰি পেলালে। ৰমেনে আকৌ ভাবিলে- বায়েকক যিখন ঘৰলৈ বিয়া দিব সেই মানুহঘৰ ৰমেনহঁততকৈ অলপ উচ্চ খাপৰ লোক অৰ্থাৎ মধ্যবিত্ত শ্ৰেণীৰ লোক। ৰমেনে ভাবিলে- বায়েকে একো নিনিয়াকৈ গ’লে সেই মানুহঘৰে বাৰু তাইক গ্ৰহণ কৰিবনে? কিজানি বায়েকৰ জীৱন ধ্বংসৰ গৰাহলৈ যাব। এক কোবাল বতাহে যেন সিহঁতৰ ঘৰখন থান-বান কৰি পেলালে, কেৱল কেইটামান টকাৰ কাৰণে।

কিন্তু ৰমেনৰ দেউতাকৰ শ্ৰাদ্ধ যোৱাৰ পিছত ল’ৰাঘৰৰ মানুহে ৰাইজক সাক্ষী কৰি ৰমেনৰ বায়েকক বোৱাৰী কৰি তেওঁলোকৰ ঘৰলৈ লৈ গ’ল। সকলো আশ্চৰ্যান্বিত হৈ পৰিল। ইমান দুখৰ মাজতো যেন ৰমেন আৰু ৰমেনৰ মাকৰ মুখত এমুঠি মিচিকিয়া হাঁহি বিৰিঙি ওলাল ....। তেওঁলোকৰ ভাব হ’ল আজিও মানুহৰ অন্তৰৰ গভীৰ কক্ষত সহানুভূতিৰ অন্ত পৰা নাই। এক বুজাব নোৱৰা অনুভূতি.......।

●●●

কিতাপ মানুহৰ আটাইতকৈ ভাল আৰু বিশ্বস্ত বন্ধু।
কিতাপ মানুহৰ আটাইতকৈ সহজলভ্য আৰু জ্ঞানী উপদেষ্টা,
কিতাপ মানুহৰ আটাইতকৈ ধৈৰ্যশীল শিক্ষক
‘চাৰ্লছ এলিয়ট’

# নোটবন্দী

জ্যোতিৰূপা ৰয়




সেইদিনা আছিল ২০১৬ চনৰ ৮ নবেম্বৰ। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশখনৰ নতুন মুদ্ৰা নীতি ঘোষণা কৰিলে। নবেম্বৰৰ আঠ তাৰিখে দেশৰ পৰা পাঁচশ আৰু এহেজাৰ টকীয়া নোটসমূহ অচল বুলি ৰেডিঅ', টি.ভি, বাতৰি যোগে প্ৰচাৰ কৰিলে। দেশবাসীৰ এই অচল টকাবোৰ ডিচেম্বৰৰ দহ তাৰিখৰ পৰা বেংকত জমা দিব পাৰিব বা সলনি কৰি ল'ব পাৰিব। তাৰ বাবে কিছুমান নিয়ম বান্ধি দেশবাসীক দিলে। ভাৰতৰ যিমানবিলাক বেংক, ডাকঘৰ আছে সেইবোৰত জমা কৰা বা পোনপটীয়াকৈ সলনি কৰি লোৱাৰ উপৰিও বাছৰ টিকট, ৰেলৰ টিকট, বিমানৰ টিকট, পেট্ৰল পাম্প আৰু গেছৰ প্ৰতিষ্ঠান বোৰত পোনপটীয়াকৈ সামগ্ৰী ক্ৰয় কৰাৰ সুবিধা প্ৰচাৰ কৰিলে। ডিচেম্বৰ মাহৰ পোন্ধৰ তাৰিখলৈ মোদী ডাঙৰীয়াই ৰাইজক সকাহ দিয়াৰ কথা ঘোষণা কৰিলে। ডিচেম্বৰৰ পোন্ধৰ তাৰিখলৈ এই ব্যৱস্থাৰ সময় সীমা দি পিছলৈ ৩০ ডিচেম্বৰ তাৰিখলৈ পুৰণি নোট বেংকতহে জমা কৰিব পৰা নিৰ্দিষ্ট সময় ধাৰ্য্য কৰি দিলে।

প্ৰধানমন্ত্ৰীৰ এই ঘোষণাত দেশৰ বহু লোকৰ মূৰত বিনামেঘে বজ্ৰপাত হোৱা যেন হ'ল। বহুতৰে অন্তৰত ভয় দুখৰ সীমা নোহোৱা হ'ল। কোনোজনে এই খবৰ পোৱাৰ লগে লগে কি কৰিব কি নকৰিব ভাবি পাৰ নেপাই চিন্তাতে আকস্মিক ভাৱে মৃত্যু মুখতো পৰিল। মোদীৰ নতুন মুদ্ৰা নীতি ঘোষণাই দেশখনৰ ক'লাধন জমাকাৰী সকলৰ মূৰত ৰামটাঙোন মাৰিলে। ঘটিয়ে ঘটিয়ে কাৰোবাৰ মূৰত পানী ঢালিব লাগিছে আনফালে আন কোনোবা চিন্তাতে কি কৰিব কি নকৰিব উৱাদিহ নাপাই হঠাতে মূৰ্চ্ছা গৈছে। পুৱা, দুপৰীয়া, গধূলিৰ টিভিৰ বাতৰিত কেৱল মুদ্ৰা নীতিৰেই কথা। টকাৰ চিন্তাত ক'ত কোন কেনেদৰে মৰিব ধৰিছে তাৰেই মাথোঁ খবৰ।

মোদীৰ এই ঘোষণাৰ পাছতো সোণাপুৰ গাঁৱৰ গোবিন্দ মহাজনৰ কাণসাৰ নাই। বৰ ব্যস্ততাপূৰ্ণ মানুহ সি। সুখ নোহোৱা বিধৰ যদিও কথা বতৰা খুব কম কয়। পূবৰ বেলি কেতিয়া পশ্চিমত গৈ পায় তাৰো খবৰ নৰখা মানুহ। টকা কেনেকৈ আৰ্জিব লাগে সেইটো কিন্তু গোবিন্দ মহাজনে বেচ জানে। হাতত বহু টকা থকা লোক। একমাত্ৰ পুতেক জনবীৰ আৰু পৰিবাৰ বতাহীয়ে নাজানে। খোৱা-বোৱাত সাধাৰণ, পিন্ধা -উৰাত সাধাৰণ, কিবা কামত টকাৰ কথা ক'লেও মুখেৰে একো নামাতে। মুঠতে গোবিন্দই গাঠিৰ ধন খুলিবলৈ ইচ্ছা নকৰে। জনবীৰেও জানে বাপেকে অৰ্জা ধন প্ৰায়েই হাতত জমা ৰাখে। পুৰণি ঢঙৰ মানুহ বেংকত টকা জমা থোৱা কাম ভাল নাপায়। নৱেম্বৰৰ ৮ তাৰিখে মোদীৰ ঘোষণাৰ কথা পুতেক জনবীৰে পিতাকৰ আগত ভালদৰে ক'লে। পিতাকে একো নামাতি ঘৰৰ ভিতৰলৈ সোমাই গ'ল। টকা অচলৰ কথা কোৱাৰ লগে লগে বিছনাখনত হাতৰ বাউসিত মূৰ থৈ কিছু সময় বাগৰ দি জিৰণি ল'লে। টকাৰ চিন্তাই তাৰ ভাগৰ বঢ়াইছে। কিছু সময় পিছত জনবীৰৰ পিতাকে বিছনাৰ পৰা উঠি আহি বতাহীক মাতিলে- হেৰা ক'ত আছ, পানী গিলাছ দে। বতাহী অন্য কামত ব্যস্ত। আনোঁতে কিছু পলম হ'ল। সি পুনৰ বতাহীক মাতিবলৈ

ধৰিলে। বতাহীয়ে ক'লে- 'ইমানেই আতুৰ, সুখ নোহোৱা মানুহ মই জনমত দেখা নাই। কিবা খুজিলে লগতেই পালেহে শান্তি।' পৰিবাৰে আনি দিয়া পানী গিলাছ খাই পুত্ৰ পৰিবাৰ দুয়োকে ওচৰত বহুৱাই লৈ ক'লে 'বতাহী দেশ কাল সলনি হ'ল। সময়ৰ শৰ সময়ত মাৰিব লাগিব নহ'লে মোৰ উপায় নাই।'

গোবিন্দই জনবীৰৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই তাৰ অন্তৰৰ ভাষা পঢ়িবৰ চেষ্টা কৰিছিল, কিন্তু অনুমান হ'ল জনবীৰে মিছা কথা কোৱা নাই। গোবিন্দই পুতেকৰ ওপৰত সকলো এৰি দিলে। বতাহীয়ে ক'লে পুতেক উপযুক্ত হৈছে, বুজা হৈছে, নিজৰ ঘৰৰ মানুহক বিশ্বাসত নললে কাক লবি? গতিকে টকাৰ সমস্যাটো পুতেৰৰ ওপৰত এৰ, গোবিন্দৰ মন ভাবাক্ৰান্ত যদিও এটা কামৰ বোজাৰ পৰা স্বস্তিৰ নিশ্বাস এৰিলে। তথাপি শেষত সি আকৌ সুধিলে-'জনবীৰ সকলো চিন্তা তোৰ ওপৰত এৰি দিলোঁ। হেঁ লো টকা খিনি হিচাপ কৰি ল।'

জনবীৰ বহাৰ পৰা উঠি টকাখিনি বাপেকৰ হাতৰ পৰা লৈ হিচাপ কৰি পালে ডেৰ লাখ টকা। পুতেকে অলপ হাঁহি বাপেকক ক'লে- 'পিতাই তই জান, সাঁচি থোৱা ধন ছাইৰ নিচিনা। গতিকে জীয়াই থাকোঁতে সৎব্যৱহাৰ কৰিব লাগে। টকাখিনি উলিয়াই দি ভালেই কৰিলি। মোৰ ওপৰত বিশ্বাস ৰাখ তোৰ টকা মই বেংকত জমা কৰিম।' পিতাকে ক'লে- 'বোপা কষ্টৰ ধন অথলে যাব নিদিবি।' জনবীৰে ক'লে- 'পিতা কোনো চিন্তা নকৰিবি।' জনবীৰে পিছদিনাখন ৰাতিপুৱা শোৱা পাটি এৰি মুখ হাত ধুই উঠি, কিবা অলপ খাবলৈ মাকৰ পৰা খুজিলে। দিনটোৰ বাবে বেংকলৈ যোৱাৰ কথা। ঘৰৰ পৰা পাঁচ কিলোমিটাৰ নিলগত বেংক। কিমান সময় হয় তাৰ কোনো ঠিক নাই। মনে মনে ঈশ্বৰৰ নাম ললে- প্ৰভু মোক কি দায়িত্বত পেলালা। তথাপিও ঈশ্বৰক প্ৰাৰ্থনা কৰি চহৰৰ বেংকলৈ যাত্ৰা কৰিলে। চহৰ পাই জনবীৰে দেখিলে যে বেংকৰ পৰা প্ৰায় এক কিলোমিটাৰ দীঘল শাৰী। প্ৰত্যেকৰ হাতত টকাৰ টোপোলা আৰু পাচবুকৰ লগতে আৱশ্যকীয় প্ৰমাণ পত্ৰ। ভাবিলে কি কৰিম। আজি টকা জমা কৰাৰ ব্যৱস্থা কৰিম নে ঘৰলৈ উভতি যাম। চিন্তাৰ শেষ নাই তথাপিও অলপ সময় সকলো চিন্তা বাদ দি কামটো সমাধান কেনেকৈ কৰিব পাৰে ধৈৰ্য্য ধৰি শাৰীত থিয় হ'ল।

বেংকৰ গেটৰ সন্মুখত পুলিচ পহৰা। বেংকৰ ভিৰলৈ চাই পুৰুষ দহজন আৰু মহিলা দহজনকৈ পঠাই আছে। শাৰীত থিয় হৈ কিছুমানে অধৈৰ্য হৈ পৰিছে। বহুতে উচ্পিচ্ কৰি আছে। এনেতে তিনিজন লোক হঠাতে বাগৰি পৰা দেখিলে। সকলোৱে ধৰ ধৰ কৈ হৈ চৈ লগালে। লগে লগে চিকিৎসাৰ বাবে পুলিচৰ দ্বাৰা ১০৮ এম্বুলেঞ্চ কল কৰি চিকিৎসালয়লৈ লৈ গ'ল। সি মনতে ভাবিলে বেচেৰাহঁত টকা কেইটাৰ বাবেই আজি এই দুৰ্দশা। কিন্তু উপায় নাই। কামটো কৰিবই লাগিব। দেশৰ বিমুদ্ৰাকৰণে ক'লা ধন ব্যৱসায়ী সকলোকে কষ্ট দিছে। দেশৰ স্বাৰ্থত এইখিনি কষ্ট সহ্য কৰিবই লাগিব বুলি জনবীৰে ভাবিলে।

এটা চিন্তাই তাৰ ভাগৰ বঢ়াইছিল। এই ব্যৱস্থাৰে বা কিমান দিন শাৰীত থিয় হ'ব লাগে।

জনবীৰে কিন্তু ধৈৰ্য্য ধৰি নতুন উদ্যম লৈ আকৌ ওলালে বেংকলৈ বুলি। এনেতে গোবিন্দই মাত লগালে 'হেৰা বতাহী; বতাহী কি হ'ল? ক'ত গল?'

চিঞৰত চুপেচাপে নাথাকি বতাহীয়ে মাত লগালে 'কি হ'ল? ইমান চিঞৰিছা কিয়? কি হ'ল ক?'

কি কৰাহে? কাণ্ড জ্ঞান নাই। 'আজি আলহি আহিব বুলি খবৰ পালো।' তাকেই কথাটো কবলৈহে মাতিছিলোঁ। উত্তৰত বতাহীয়ে ক'লে 'সেইবুলি ৰাইজে শুনাকৈ চিঞৰিব লাগেনে? ওঁহ এতিয়া ক কোন আহে?'

জনবীৰৰ জেঠীয়েৰ হেনো আমাৰ ঘৰলৈ আহি আছে। খোৱা-লোৱাৰ যা-যোগাৰ পিছে কি আছে। মোৰ কিন্তু টকা-পইছা নাই দেই তইহে জান কি কৰ।'

বতাহীৰ সঁচাই মাজে মাজে মানুহটোলৈ অসহ্য লাগে। ইমান ভয় মানুহ জনৰ। আলহী আহে সেইটোনো কিবা আচৰিত হোৱা কথানে? ঘৰখনত আমাৰ কি নাই? মানুহ জন যে ভয়াতুৰ।

জনবীৰৰ জেঠীয়েক ভনীয়েকৰ ঘৰ পালেহি। লাহে লাহে বয়স ভাটি দিছে। পুতেক জনবীৰ বয়সৰ ফালৰ পৰা বিয়াৰ যোগ্য হৈ উঠিছে। সংসাৰত কোননো কিমান দিন আছে। ঠিক নাই ভনীয়েকে বাইদেৱেকক কৈছে- 'বাইদেউ জনবীৰৰ বাবে এজনী ভাল ছোৱালী চোৱা। মই তাৰ বিয়াখন পাতি এটা লেঠা শেষ কৰোঁ। সি বেংকত গৈছে তাৰপৰা আহিলেই কথাটো তাক সুধি চোৱা ভাল হ'ব।' বাইদেউৱে ক'লে- 'বেংকলৈ গৈছে? কিয় গৈছে?'

উত্তৰত বতাহীয়ে ক'লে 'এহ কিনো কবি; মোদীৰ জ্বৰ আমাৰ গাত লাগিছে নহয়।'

বাইদেৱেকে ক'লে 'পুৰণি টকাৰ কাৰণে বেংকত গৈছে নেকি?' ভনীয়েকে ক'লে 'ওঁ তাৰ কাৰণে গৈছে।'

তেনেহলে জনবীৰৰ বিয়াখন পাতিব পৰা যাব। জনবীৰ আহিলেই মই কথাটো আলোচনা কৰিম।

আবেলি পাঁচ বাজিছে। বেংকৰ পৰা জনবীৰে ভোকে-লঘোণে ঘৰ আহি পালে। হাত ভৰি ধুই কিবা অলপ খাবলৈ দিয়াৰ বাবে মাকক কৈছে। এনেতে দেখা পায় জেঠীয়েকক।

'অ জেঠী, কিমান সময় হ'ল।' জনবীৰে জেঠীয়েকক সুধিলে। জেঠীয়েকে ক'লে 'আবেলি তিনিমান বজাতেই পালোহি বোপা। পিছে ভালনে?'

'ভাল বেয়ানো কি কম, শুনিছাই নহয় দেশত কি হৈছে। অ, অ, বোপা শুনিছো। আমি যাকে ডাঙৰ মানুহ কৰো সিয়েই ওলোটা মাৰে। দেশখনত কি যে হ'ল।'

জনবীৰে জেঠীয়েকক ভালদৰে বুজাই ক'লে- 'জেঠী তইঁতে এই কথা বুজা নাই। ক'লা ধন দুৰ্নীতি, জালনোটৰ পয়োভৰে আমাৰ দেশক একেবাৰে কোঙা কৰি পেলাইছে। দেশৰ প্ৰগতিত বাধা আহি পৰিছে। গতিকে দেশৰ প্ৰগতিৰ হেঙাৰ এই অশুভ কাৰ্য নাশ কৰি দেশৰ প্ৰগতিৰ পথ সুগম কৰি তোলাৰ বাবেহে মোদীৰ এই ব্যৱস্থা। দেশৰ চাৰিভাগৰ তিনিভাগ মানুহে এই কাৰ্যত মোদীক প্ৰশংসা কৰিছে। গতিকে জেঠী তই মই এই কথা বেয়া পাই কোনো লাভ নাই। কেইদিনমান কষ্ট হ'ব যদিও ই লাহে লাহে ভাললৈ আহিব নহয়, 'হয় দেই বোপা। পিছে কথা এটা নহয়' জনবীৰে ক'লে 'জেঠী কৈ যা কি কথা।' জেঠীয়েকে ক'লে 'বোপা, মা-পিতা লাহে লাহে বুঢ়া হৈ গৈ আছে কিবা এটা কৰিব লাগে। মই তোৰ বাবে এজনী ভাল ছোৱালী চাইছো।'

জনবীৰে বহাৰ পৰা উঠি অলপ হাঁহি মাৰি ক'লে- 'জেঠী, মই মা-পিতাৰ চিন্তা, ঘৰৰ চিন্তা, বিয়াৰ চিন্তা সকলো কৰিছো। কিন্তু এইবাৰ বিয়াৰ ব্যৱস্থা সামৰিছোঁ। জেঠী, তই নিশ্চয় নাজানা যে মোদীৰ বিমুদ্ৰাকৰণে আমাৰ দেশত প্ৰায় তিনিহাজাৰ খন বিয়া স্থগিত ৰখালে।' জেঠীয়েকে ক'লে- 'মানে? মানে টকাৰ স্বাভাৱিক অৱস্থা ঘুৰি নহালৈকে শুভ কাম-কাজ পতা নহ'ব।'

জেঠীয়েকে ক'লে- 'এইটো বাৰু কম দুখৰ কথা নহলনে? বাৰু তোৰ কথাকে ৰাখিলোঁ। পিছে আমাৰ মনৰ আশা পণ্ড নকৰিবি দেই।'

জনবীৰে ক'লে- 'হব, হব। চিন্তা নকৰিবি। মোদীৰ মুদ্ৰা ব্যৱস্থা ভাললৈ আহিলে সকলো হৈ যাব।'

●●●

সাজপোছাকে মানুহক ভদ্ৰ কৰি নোতোলে। সৎ চিন্তা আৰু সৎ শিক্ষাৰদ্বাৰাইহে এজন প্ৰকৃত ভদ্ৰলোক হ'ব পাৰি।

'মহাত্মা গান্ধী'